জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৬৮/২০২০

# মাজুলীক কাৰ্বন নিউট্ৰেলিটী জিলা হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী সোণোৱালে শুভাৰম্ভ কৰিলে বৃক্ষ ৰোপন কাৰ্যসূচীৰ

## কমলাবাৰী ঘাটৰ খহনীয়া প্ৰতিৰোধী পদক্ষেপৰ চৰজমিন বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৪ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মাজুলীৰ কমলাবাৰী ঘাটত কাৰ্বন নিউট্ৰেলিটী প্ৰকল্পৰ অধীনত এক ব্যাপক বৃক্ষ ৰোপন কাৰ্যসূচীত অংশ লয়। উল্লেখ্য যে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সক্ৰিয় পদক্ষেপত মাজুলীক কাৰ্বন মুক্ত জিলা হিচাপে গঢ়ি তোলাৰ লক্ষ্য বাস্তৱায়িত কৰাৰ দিশত এই পদক্ষেপে বৃহৎ অৰিহণা যোগাব। মাজুলীক কাৰ্বন মুক্ত জিলা হিচাপে গঢ়ি তোলাৰ বাবে গ্ৰহণ কৰা এই প্ৰকল্প দেশৰ ভিতৰতে এনেধৰণৰ প্ৰথম প্ৰকল্প। এই প্ৰকল্পৰ অধীনত বান-পানীৰ সময়তো জীয়াই থাকিব পৰা ১১০০ ফল-ফূল আৰু ঔষধী গছৰ গছ পুলি ৰোপনৰ ব্যৱস্থা লোৱা হৈছে।

এই উদ্দেশ্যে আয়োজিত অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে এই প্ৰকল্পটো সৰ্বতোপ্ৰকাৰে সফল কৰাৰ বাবে সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে মাজুলীবাসীক ধন্যবাদ জ্ঞাপন কৰে। মাজুলীক কাৰ্বন মুক্ত জিলা হিচাপে গঢ়ি তোলাৰ লক্ষ্য বাস্তৱায়িত কৰাৰ দিশত এই প্ৰকল্পই বৃহৎ ভূমিকা ল'ব বুলিও তেওঁ কয়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে মাজুলীক ভাৰতবৰ্ষৰ ভিতৰতে সৰ্বপ্ৰথম কাৰ্বন মুক্ত জিলা হিচাপে গঢ়ি তোলাৰ বাবে মাজুলীবাসী ৰাইজৰ সহযোগত চৰকাৰে এই পদক্ষেপ লৈছে যাতে ভৱিষ্যতেও মাজুলীৰ বিশুদ্ধ জলবায়ু, বিনন্দীয়া প্ৰাকৃতিক পৰিৱেশ অটুত থাকে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে মাজুলীবাসীয়ে সকলো সময়তে ইয়াৰ জলবায়ুৰ বিশুদ্ধতা, নৈসৰ্গিক প্ৰাকৃতিক পৰিৱেশ আৰু জৈৱবিচিত্ৰতা অটুত ৰখাৰ দিশত অগ্ৰণী ভূমিকা লৈ যাব লাগিব।

মুখ্যমন্ত্ৰী সোণোৱালে লগতে কমলাবাৰী ঘাটৰ খহনীয়াগ্ৰস্ত এলেকাও পৰিদৰ্শন কৰি জিলা প্ৰশাসনে এই খহনীয়া প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা কাম-কাজৰো চৰজমিন বুজ লয়। এই খহনীয়া প্ৰতিৰোধী ব্যৱস্থাৰ চৰজমিন বুজ লোৱাৰ উদ্দেশ্যেৰে মুখ্যমন্ত্ৰীয়ে আজি ব্ৰহ্মপুত্ৰৰ পাৰৰ এক বৃহৎ এলেকা খোজকাঢ়ি পৰিদৰ্শন কৰে।

তদুপৰি মুখ্যমন্ত্ৰী সোণোৱালে আজি অসম ক্ৰিকেট সন্থাৰ অধীনত মাজুলীত নিৰ্মাণ কৰি থকা ক্ৰিকেট ষ্টেডিয়াম নিৰ্মাণৰ কাম-কাজৰ অগ্ৰগতিৰো বুজ লয়। অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্তও মুখ্যমন্ত্ৰীৰ সৈতে সেই সময়ত উপস্থিত থাকে। এই ক্ৰিকেট ষ্টেডিয়ামখনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠিলে মাজুলীৰ উদীয়মান ক্ৰিকেটাৰসকলে অনুশীলনৰ বাবে এক অত্যাধুনিক আন্তঃগাঁথনি লাভ কৰিব বুলি আশা কৰা হৈছে।

ইয়াৰ উপৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মাজুলীৰ মহিলা আত্মসহায়ক গোটৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ এক বিপণন তথা প্ৰদৰ্শনী থলীও পৰিদৰ্শন কৰে। এই প্ৰদৰ্শনী আৰু বিপণনৰ পদক্ষেপ ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত কৰা হৈছে। বিপণন ক্ষেত্ৰ পৰিদৰ্শন কৰি ইয়াত পৰিৱেশন কৰা সামগ্ৰীসমূহৰ মুখ্যমন্ত্ৰীয়ে ভূয়সী প্ৰশংসা কৰাৰ লগতে মহিলাসকলে প্ৰদৰ্শন কৰা শিল্প শৈলীৰো শলাগ লয়। মহিলা সকলৰ দক্ষতা প্ৰদৰ্শনৰ বাবে লোৱা ব্যৱস্থাৰ বাবে মুখ্যমন্ত্ৰীয়ে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগক ধন্যবাদ জ্ঞাপন কৰে। আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ ক্ষেত্ৰত মহিলাসকলৰ এই সৃষ্টিশীল উদ্যোগে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই পৰিদৰ্শনৰ সময়ত মাজুলী জিলাৰ উপায়ুক্ত বিক্ৰম কৈৰী, আৰক্ষী অধীক্ষক অপৰ্ণা নটৰাজন, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া নাৰায়ন নাথ, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ লগতে অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ**
**৪/১০/২০২০**